**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

Date : 14-03-2026 **Time :** 0755 Hrs.

**<u>HEADLINES</u>**

দুদিনীয়া ভ্ৰমণসূচীৰে অসমলৈ অহা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি শিলচৰত ২৩ হাজাৰ ৫৫০ কোটি টকা ব্যয় সাপেক্ষ কেইবাটাও প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰিব। প্ৰধানমন্ত্ৰীয়ে শিলচৰৰ অম্বিকাপুৰত তিনিটা প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰিব। ইয়াৰ ভিতৰত ২২ হাজাৰ ৮৬৪ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰা শিলচৰ হাইস্পীড কৰিডৰ, প্ৰায় ৫৬৫ কোটি টকা ব্যয়ৰে নিৰ্মাণ কৰা শিলচৰ টাউন উৰণ সেতু আৰু ১২২ কোটি টকা ব্যয় সাপেক্ষ পাথাৰকান্দি কৃষি মহাবিদ্যালয় আছে। প্ৰধানমন্ত্ৰীৰ শিলচৰ ভ্ৰমণ কালতে মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই বৰাকৰ শ্ৰীকোণাত নিৰ্মাণ কৰা মিনি সচিবালয় আৰু দাৰগাকোণাৰ মিঠাপানীত অসম চৰকাৰৰ নগৰ আৰু গৃহ নিৰ্মাণ বিভাগৰ সন্মিলন কেন্দ্ৰ উদ্বোধন কৰিব।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কালি গুৱাহাটীত প্ৰায় ১৯ হাজাৰ কোটি টকা ব্যয় সাপেক্ষ কেইবাটাও প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰে। প্ৰতিকূল বতৰৰ পৰিপ্ৰেক্ষিতত তেওঁৰ কোকৰাঝাৰ ভ্ৰমণ বাতিল হোৱাত গুৱাহাটীৰ কইনাধৰাৰ ৰাজ্যিক অতিথিশালাৰ পৰাই ভাৰ্চুৱেল ব্যৱস্থাৰে জিলাখনৰ ৪ হাজাৰ ৫৭০ কোটি টকা ব্যয়সাপেক্ষ কেইবাটাও আন্তঃগাঁথনিমূলক প্ৰকল্প মুকলি কৰাৰ লগতে আধাৰশিলা স্থাপন কৰে।

ইয়াৰ পাছত তেওঁ খানাপাৰাৰ জ্যোতি-বিষ্ণু আন্তৰ্জাতিক কলা মন্দিৰত আয়োজিত অন ) এটা কাৰ্যসূচীত অংশ লৈ ১৩ হাজাৰ ২৯০ কোটি টকা ব্যয়সাপেক্ষ বহুকেইটা প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰে। প্ৰধানমন্ত্ৰীয়ে দুহেজাৰ ৪১৬ কোটি টকা ব্যয়েৰে নিৰ্মাণ কৰা ১২০ মেগাৱাট শক্তিসম্পন্ন কপিলী জলবিদ্যুৎ প্ৰকল্প, ৭৫০ কোটি টকা ব্যয়সাপেক্ষ নুমলীগড়-শিলিগুড়ি প্ৰডাক্ট পাইপলাইনৰ ক্ষমতা বৃদ্ধি আৰু ৩ হাজাৰ ৮০০ কোটি টকা ব্যয় সাপেক্ষ উত্তৰ-পূব গেছ গ্ৰীডৰ প্ৰথম পৰ্যায় উদ্বোধন কৰে। তেওঁ লগতে নুমলীগড় শোধনাগাৰ লিমিটেডৰ ৰে'ল সংযোগী পি অ' এল টাৰ্মিনেল আৰু কেইবাটাও মুখ্য ৰে'লপথৰ বৈদ্যুতিকীকৰণ প্ৰকল্পৰ আধাৰশিলাও স্থাপন কৰে। তেওঁ লগতে ফৰকাটিং-তিনিচুকীয়া ৰে'লৱে লাইন দ্বৈতকৰণ প্ৰকল্পৰো আধাৰশিলা স্থাপন কৰে। প্ৰধানমন্ত্ৰী মোদীয়ে তেওঁৰ ভাষণত নিমাতী ঘাট আৰু বিশ্বনাথ ঘাটত আধুনিক জাহাজ টাৰ্মিনেল নিৰ্মাণৰ কাম আৰম্ভ হৈছে বুলি উল্লেখ কৰি কয়, যে চৰকাৰে অসমৰ পৰ্যটন খণ্ডক কেৱল দৰ্শনৰ স্থান হিচাপে গঢ়ি তোলাই নহয় বৰঞ্চ নিয়োগ আৰু বিকাশৰ পথ হিচাপেও বিবেচনা কৰিছে। তেওঁ এয়া কেৱল এটা আন্তঃগাঁথনি প্ৰকল্পই নহয় বৰঞ্চ অসমৰ পৰ্যটন আৰু স্থানীয় অৰ্থব্যৱস্থাক নতুন গতি প্ৰদানৰ পদক্ষেপ বুলি মন্তব্য কৰে।

**বাইট (পি এম)**

প্ৰধানমন্ত্ৰী মোদীয়ে এই অনুষ্ঠানতে প্ৰধানমন্ত্ৰী কিষাণ সন্মান নিধিৰ ২২ সংখ্যক কিস্তি মুকলি কৰে। তেওঁ লগতে মিছন বসুন্ধৰাৰ অধীনত ৰাজ্যৰ ৭০৭ খন চাহ বাগিচাত বাস কৰা ৩ লাখ ৫০ হাজাৰৰো অধিক পৰিয়ালক ভূমিপট্টা প্ৰদান কৰে।

০০০০০০০

আসন্ন বিধানসভা নিৰ্বাচন নিয়াৰিকৈ আৰু শান্তিপূৰ্ণভাৱে সম্পন্ন কৰাৰ উদ্দেশ্যে শ্ৰীভূমিৰ জিলা আয়ুক্তই নিৰ্বাচনৰ কাম সম্পূৰ্ণ নোহোৱালৈকে চৰকাৰী কাৰ্যালয়সমূহ দেওবাৰ আৰু অন্যান্য ছুটীৰ দিনতো খোলা ৰাখিবলৈ নিৰ্দেশ জাৰি কৰিছে। এই নিৰ্দেশনা অনুসৰি বন্ধ তথা ছুটীৰ দিনত প্ৰতিটো কাৰ্যালয়ত অন্ততঃ এজন অফিচ সহায়ক আৰু এজন এম টি এছ্ বা চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰী উপস্থিত থাকিব লাগিব। জিলাখনৰ বেংকসমূহো দেওবাৰ বা অন্যান্য ছুটীৰ দিনত খোলা ৰখাৰ নিৰ্দেশ দিয়া হৈছে। নিৰ্বাচনৰ সময়ত প্ৰয়োজনীয় কামসমূহ সুকলমে সম্পন্ন হোৱাৰ উদ্দশ্যৰে এই নিৰ্দেশনা জাৰি কৰা হৈছে আৰু ইয়াৰ অমান্য কৰিলে আইন অনুসৰি ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলিও নিৰ্দেশনাটোত উল্লেখ কৰা হৈছে।

০০০০০০০

ডিব্ৰুগড় জিলাত চলি থকা প্ৰিজাইডিং আৰু পুলিং বিষয়াসকলৰ  প্ৰথম পৰ্যায়ৰ প্ৰশিক্ষণৰ কাইলৈ সামৰণি পৰিব। এই প্ৰশিক্ষণ কাৰ্যসূচী জিলা আয়ুক্ত কাৰ্যালয়ৰ প্ৰশিক্ষণ গৃহ, জিলা গ্ৰামোন্নয়ন অভিকৰণৰ জাগ্ৰীতি গৃহ, আউনীআটি শাখা সত্ৰ প্ৰেক্ষাগৃহ, কানৈ বাণিজ্য মহাবিদ্যালয় আৰু জিলা পুথিভঁৰাল প্ৰেক্ষাগৃহত অনুষ্ঠিত হৈছে। এই কাৰ্যসূচীত ই ভি এম আৰু ভি ভি পেট মকড্ৰিলৰ সহায়ত ভোটগ্ৰহণ কৰ্মীসকলক প্ৰশিক্ষণ দিয়া হৈছে।

০০০০০০০

ডিব্ৰুগড় জিলাৰ দুলীয়াজানত কালি দুলীয়াজান ক্লাবত **বিকশিত অসম, সমৃদ্ধিশালী ভাৰতৰ** কাৰ্যসূচী অনুষ্ঠিত হয়। এই কাৰ্যসূচীত বিধায়ক তেৰচ গোৱালাই অংশগ্ৰহণ কৰে। বিধায়ক শ্ৰী গোৱালাই সমষ্টিটোৰ অন্তৰ্গত ১৫০ খন উপাসনা স্থলীলৈ অসম দৰ্শন আঁচনিৰ  চেক বিকতৰণ কৰে।

০০০০০০০

**সমাপ্ত**